## বাক্যতত্ত্ব

ভাষা-বিজ্ঞানৰ অধ্যয়নৰ আন এটা স্তৰ হ'ল বাক্যতত্ত্ব। অসমীয়া বাক্যতত্ত্ব শব্দগুচ্ছ ইংৰাজী Syntax শব্দৰ সমাৰ্থক হিচাপে ব্যৱহৃত। ইংৰাজী Syntax শব্দটো আহিছে গ্ৰীক Syntaxis শব্দৰ পৰা। ইয়াৰ আভিধানিক অৰ্থ Rules of Sentence making। ধ্বনিসংযোগ আৰু ৰূপসংযোগৰ ফলত সৃষ্টি হোৱা পদসমূহক অৰ্থৰ সংগতি ৰাখি যথাস্থানত বহুৱাই বাক্যৰ সৃষ্টি কৰা হয়। বাক্যই মানুহৰ মনৰ এটি সম্পূৰ্ণভাৱ প্ৰকাশ কৰে। সেই কাৰণে ভাষাক বাক্যভিত্তিক বুলিও কোৱা হয়। আকৌ ৰূপৰ লগত ৰূপৰ সংযোগ, সিহঁতৰ ক্ৰম আৰু ৰূপৰ মাজত সম্পৰ্ক এই আটাইখিনি লগলাগিহে একোটা খণ্ডবাক্য বাক্য হয়। এটা বাক্যত ব্যৱহাৰ হোৱা ৰূপবোৰৰ বেছিভাগ ভাষাতে একোটা ক্ৰম থাকে অৰ্থাৎ এক শ্ৰেণী ৰূপৰ পাছত আন এক শ্ৰেণী ৰূপহে থাকিব পাৰে। উদাহৰণস্বৰূপে, 'তাই বৰ ভাল ছোৱালী' এই বাক্যটোত প্ৰথমতে আছে সৰ্বনাম, তাৰ পাছত ক্ৰিয়া বিশেষণ, তাৰ পাছত বিশেষণ আৰু শেষত বিশেষ্য শব্দ এটা। এই বাক্যটোৰ গাঁথনিক ক্ৰম সলনি হৈ 'বৰ তাই ছোৱালী ভাল' বা 'তাই ভাল বৰ ছোৱালী' আদি হ'লে একো অৰ্থ প্ৰকাশিত নহ'ব। আকৌ বাক্যত ৰূপবোৰৰ ক্ৰমৰ উপৰি ৰূপৰ সৈতে ৰূপৰ সম্পৰ্কৰ বিষয়েও জানিব লাগিব। তেতিয়াহে বাক্যটোৰ দ্বাৰা বুজাব খোজা অৰ্থখিনি স্পষ্ট হৈ উঠিব। প্ৰত্যেক ভাষাৰ বাক্যগঠন প্ৰণালীৰ বৈশিষ্ট্য আছে। পদ আৰু শব্দৰ সংযোগত বাক্যৰ সৃষ্টি হয়। অৰ্থযুক্ত পদ আৰু শব্দ যথাস্থানত বহুৱাই এটা সম্পূৰ্ণ বাক্য সজা হয়। বাক্যত ব্যৱহাৰ হোৱা প্ৰত্যেকটো পদৰ পাৰস্পৰিক সংগতি থাকে আৰু সেই অনুসৰি পদবোৰৰ ৰূপ হয়। বাক্যত সাধাৰণতে তলত দিয়া পদবোৰ পোৱা যায়— কাৰকবাচক পদ, ক্ৰিয়াপদ, বিশেষণ পদ, অব্যয় পদ।

ক্ৰিয়াপদ বাক্যত অতি আৱশ্যক। কৰ্তা, কৰ্ম, কৰণ, সম্প্ৰদান/নিমিত্ত, অপাদান আৰু

অধিকৰণ এই কাৰকবাচক পদসমূহে ক্ৰিয়াৰ লগত যোগ হৈ বাক্য এটাক সাৰ্থক কৰে। যেনে—

মানুহজনে তলাটো ছাবিৰে খুলিলে।

এই বাক্যটোত মানুহজনে — কৰ্তা, তলাটো — কৰ্ম, ছাবিৰে — কৰণ, খুলিলে — ক্ৰিয়া। বাক্যৰ গঠনত পদবোৰৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ শব্দবোৰৰ লগত প্ৰত্যয়, বিভক্তি যোগ কৰা হয়। সেইদৰে দুটা বাক্য সংযোগ কৰিবলৈ আৰু বিভিন্ন ভাব প্ৰকাশ কৰিবলৈ অব্যয় পদ সমূহ বাক্যত সংযোগ কৰা হয়। যেনে — সংযোজক অব্যয় ঃ ৰাম আৰু হৰি ঘৰলৈ গ'ল।, তুমি কিন্তু আহিবা দেই। ইত্যাদি। ভাব প্ৰকাশক বাক্যৰ দুটা অৱস্থানগত বিভাগ থাকে— উদ্দেশ্য আৰু বিধেয়। এটা বাক্যৰ এফালে কৰ্তা পদ থাকে আৰু আনফালে ক্ৰিয়া পদ থাকে। ক্ৰিয়া যিয়ে কৰে সেয়ে কৰ্তা আৰু কৰ্তাৰ অনুগামী পদবোৰৰ সৈতে কৰ্তাক 'উদ্দেশ্য' বোলা হয়। আনহাতে ক্ৰিয়াপদ আৰু ক্ৰিয়াপদৰ অনুগামী সকলো পদক 'বিধেয়' বোলা হয়। উদাহৰণস্বৰূপে—

'বুঢ়া মানুহজনে পকা আমটো চুহি চুহি খালে।'

ইয়াত 'বুঢ়া মানুহজনে' উদ্দেশ্য আৰু 'পকা আমটো চুহি চুহি খালে' বিধেয়।

বাক্য ৰচনা কৰোঁতে ভাষাত দুটা কথালৈ মন কৰিবলগীয়া হয়—

ক) বাক্যত ব্যৱহৃত শব্দৰ ক্ৰম

খ) শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক।

বাক্য ৰচনা কৰোঁতে পদসমূহৰ নিৰ্বাচনত কিছুমান নিয়ম মানি চলা হয়। প্ৰাচীন ভাৰতীয় আলংকাৰিক সকলে পদ নিৰ্বাচনৰ নিয়ম সম্পৰ্কে আলোচনা কৰি যোগ্যতা, আকাংক্ষা আৰু আসত্তিযুক্ত পদৰ সমষ্টিকে বাক্য বুলি কৈছে। ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নতো আধুনিক ভাষা-বিজ্ঞানী সকলে এই তিনিওটাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। যিকোনো পদৰ লগত যিকোনো পদ লগ লগাই বাক্য কৰিব নোৱাৰি। পদৰ যোগ্যতা অনুসৰিহে বাক্যত পদসমূহ সংস্থাপন কৰা হয়। পদসমূহৰ অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা থকাৰ লগতে বিভক্তি, প্ৰত্যয় আদি ৰূপগত যোগ্যতাও থাকিব লাগিব। যেনে — গৰুবোৰ পথাৰত চৰি আছে। মনৰ ভাব প্ৰকাশ কৰিবলৈ বাক্যৰ মাজত অন্তৰ্নিহিত হৈ থকা আৱশ্যকীয় পদসমূহৰ উচ্চাৰণ কৰিবলৈ বক্তাৰ আকাংক্ষা জাগিব লাগিব। আকাংক্ষা পূৰণ কৰিবৰ কাৰণে বক্তাই কেতিয়াবা দীঘলীয়া আৰু কেতিয়াবা চুটি বাক্যৰ ব্যৱহাৰ কৰে। দীঘলীয়া বা চুটি যি বাক্যই হওক সম্পূৰ্ণ ভাব প্ৰকাশ কৰিবলৈ বাক্যটোও সম্পূৰ্ণ হ'ব লাগিব। যেনে—

মই ভাত খাই উঠি চিনেমা চাবলৈ যাম।

এই বাক্যটো খণ্ড খণ্ডকৈ প্ৰকাশ কৰিলে একো অৰ্থ প্ৰকাশ নাপাব। 'মই ভাত খাই উঠি' বুলি ক'লে বাক্যটো অসম্পূৰ্ণ হ'ব। 'চিনেমা চাবলৈ যাম' এই অংশটি ক'লেহে বাক্যটো সম্পূৰ্ণ হ'ব।

বাক্য কিছুমান পদৰ সমষ্টি। এই পদসমূহ বাক্যত কেনেকৈ সংস্থাপন কৰিলে বিৰাম নোলোৱাকৈ বাক্যটো মাতিব পাৰি তালৈ লক্ষ্য কৰা হয়। বাক্যত ব্যৱহাৰ হোৱা পদসমূহৰ অৰ্থগত আৰু ৰূপগত যোগ্যতা থকাৰ উপৰি পদবোৰৰ মাজত পাৰস্পৰিক সংগতিও থাকিব লাগে। তেতিয়া এই পদসমূহক ওচৰা-ওচৰিকৈ সংস্থাপন কৰিলে বাক্যৰ অৰ্থ স্পষ্টকৈ বুজিব পাৰি।

এনেদৰে ওচৰা-ওচৰিকৈ সজোৱা পদসমূহক পৰস্পৰৰ আসন্ন অংগ বুলি কোৱা হয়। বাক্যতত্ত্বৰ বিশ্লেষণত বাক্যত সংস্থাপন কৰা আসত্তিযুক্ত পদ অৰ্থাৎ আসন্ন অৰ্থসমূহৰ বিচাৰ কৰি বাক্যৰ প্ৰকৃত অৰ্থ নিৰূপণ কৰিব পাৰি। যেনে— তেওঁ শিক্ষক।

মানুহজন বৰ দুখীয়া।

প্ৰথম বাক্যটোত দুটা পদ আছে। দুয়োটা পদৰ অৰ্থগত আৰু ৰূপগত যোগ্যতা আছে। দুয়োটাৰে পদমৰ্যাদা আছে আৰু পৰস্পৰে আসন্ন অংগ। দ্বিতীয়টোত তিনিটা পদ আছে। এই কেইটাও পৰস্পৰে পৰস্পৰৰ আসন্ন অংগ।

এনেদৰে পদ গঠনৰ উপৰি বাক্যগঠনত সুৰ বা সুৰ লহৰৰ সহায়ত এটা নিশ্চয়বাচক বাক্য প্ৰশ্নবাচক বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। যেনে— ক) তুমি ভাত খালা। (নিশ্চয়বাচক)

খ) তুমি ভাত খালা? (প্ৰশ্নসূচক)

ৰূপান্তৰ প্ৰক্ৰিয়াৰ দ্বাৰাও কৰ্তৃবাচ্য, কৰ্মবাচ্য আৰু ভাববাচ্যৰ বাক্যক নানা ধৰণৰ বাক্যলৈ ৰূপান্তৰিত কৰিব পাৰি। এটা কৰ্তৃবাচ্যসূচক বাক্যক ৰূপান্তৰ প্ৰক্ৰিয়াৰ সহায়ত নিষেধাৰ্থক, প্ৰশ্নসূচক বাক্যও সজাব পাৰি। আনকি কৰ্তৃবাচ্যৰ বাক্য কৰ্মবাচ্য বা ভাববাচ্যলৈও ৰূপান্তৰ কৰিব পাৰি। উদাহৰণস্বৰূপে—

ৰামে ভাত খায়

ক) ৰামে ভাত মাছ খায়নে?

খ) ৰামে ভাত নাখায়।

গ) ৰামৰ দ্বাৰা ভাত খোৱা হ'ল।

ঘ) ৰামে ভাত নাখাবও পাৰে।

ৰূপান্তৰ প্ৰক্ৰিয়াৰে সৰল বাক্যক জটিল বাক্যলৈ ৰূপান্তৰিত কৰিব পাৰি। যেনে—

সৰল বাক্য — পৰীক্ষাৰ খবৰ ওলাইছে।

জটিল বাক্য — ক) পৰীক্ষাৰ খবৰ ওলাইছে জনো!

খ) পৰীক্ষাৰ খবৰ ওলাইছে নেকি?

এনেদৰে বাক্যতত্ত্বত বাক্য এটাৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা শব্দৰ প্ৰণালী, ইটো শব্দৰ লগত সিটো শব্দৰ সম্পৰ্ক, সেই সম্পৰ্কৰ প্ৰকাৰভেদ আদিৰ বিষয়ে আলোচনা কৰা হয়।